**নেচনেল টেক্সটাইল কৰ্পৰেশ্যন (ইউ.পি.) লিমিটেড ইত্যাদি**

**বনাম**

**স্বদেশী কটন মিলছ কোম্পানী লিমিটেড আৰু অন্যান্য ইত্যাদি**

২৩ অক্টোবৰ, ১৯৯৬

[ন্যায়াধীশ কে. ৰামস্বামী আৰু ন্যায়াধীশ জি.বি. পাটনায়ক]

গোচৰ- দেৱানী আদালতত বিচাৰাধীন- প্ৰতিমাহে নিৰ্দিষ্ট ধন পৰিশোধৰ বাবে উচ্চতম ন্যায়ালয়ৰ আদেশ- যিখিনি ধনক ভাড়া বুলি গণ্য কৰা নহয়- গোচৰৰ পৰা উদ্ভৱ হোৱা কাৰ্য্যবিধিৰ চূড়ান্ত সিদ্ধান্তৰ ভিত্তিত সালসলনি কৰা হ'ব- আন পক্ষই প্ৰত্যাহাৰ কৰা- বিচাৰাধীন গোচৰত নিশ্চিত চৰ্তসমূহৰ অধীনত আৰু দেৱানী আদালতৰ আদেশ অনুসৰি সালসলনি কৰা হ'ব- নিৰ্দেশনা জাৰি কৰা হৈছে।

**দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: দেৱানী আপীল নং ১৪৪১২/১৯৯৬**

এলাহাবাদ উচ্চ ন্যায়ালয়ৰ পি.এ. নং ৫৪৯/১৯৯৫-গোচৰত প্ৰদান কৰা ১৪.৫.৯৬ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ ভি.আৰ. ৰেড্ডী, অতিৰিক্ত চলিচিটৰ জেনেৰেল, নিখিল নায়াৰ আৰু টি.ভি.এছ.এন. চাৰি।

উত্তৰদাতাৰ হৈ অ'.পি. ৰানা, সুধীৰ চন্দ্ৰ আগৰৱাল, ৰাকেশ ইউ. উপাধ্যায় আৰু ছটিশ ভিগ।

আদালতৰ তলত দিয়া আদেশ দিয়া হৈছিল :-

বিলম্ব মাৰ্জনা কৰা হৈছে।

অনুমোদন জনোৱা হৈছে।

আমি দুয়োপক্ষৰ যুক্তিসমূহ শুনিছো।

বিশেষ অনুমতি লাভ কৰা এই আবেদনসমূহ ১৯৯৬ চনৰ ১৪ মে’ত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ বিভাগীয় বিচাৰপীঠে দিয়া ৰায়দানৰ ভিত্তিত কৰা হৈছে। সমগ্ৰ বিবাদটো ফঁহিয়াই চোৱাৰ প্ৰয়োজন নাই। সহজ ভাষাত ক’বলৈ গ’লে ১৯৮৭ চনৰ ১৩ জুলাইৰ পৰা আদালতৰ নিৰ্দেশ অনুসৰি আপীলকাৰীসকলে প্ৰতিমাহে ১০ তাৰিখৰ ভিতৰত ২৫,০০০ টকাকৈ জমা কৰি আহিছে। ১৯৮৮ চনৰ ১২ জুলাইত এই আদালতৰ আন এটা আদেশে এই কথা পুনৰবাৰ উল্লেখ কৰিছিল, য’ত কোৱা হৈছিল যে:

> “আমি আৰু নিৰ্দেশ দিওঁ যে এই আদালতে ১৯৮৭ চনৰ ১৩ জুলাই তাৰিখে আবেদনকাৰীক প্ৰতিমাহে ২৫,০০০ টকা জমা কৰিবলৈ নিৰ্দেশ দিয়া আদেশৰ চৰ্তসমূহৰ সন্দৰ্ভত আবেদনকাৰীয়ে এনে ধন প্ৰথম প্ৰতিবাদীৰ নামত খোলা অনুসূচীত বেংকত সুত উপাৰ্জন কৰা একাউন্টৰ ক্ৰেডিটত জমা কৰিব লাগিব, কিন্তু আদালতৰ পূৰ্বৰ নিৰ্দেশ অবিহনে প্ৰতিবাদীয়ে এনে একাউন্টৰ পৰা কোনো ধৰণৰ ধন উলিয়াব নোৱাৰিব।”

আদালতৰ নিৰ্দেশ অনুসৰি আদালতৰ অনুমতি সাপেক্ষে প্ৰতিবাদীয়ে একাউন্টৰ পৰা উলিয়াব পাৰিব। কিন্তু বিচাৰাধীন গোচৰত দেৱানী আদালতৰ চূড়ান্ত আদেশৰ ভিত্তিত এনেদৰে উলিওৱাৰ ক্ষেত্ৰত সালসলনি কৰা হয়। উচ্চ ন্যায়ালয়ে বিতৰ্কিত আদেশত তলত দিয়াৰ দৰে আদেশত উল্লেখ কৰা ধৰণে বেংকৰ নিশ্চয়তা প্ৰদান কৰাৰ পিছত প্ৰতিবাদীক ধন উলিয়াবলৈ নিৰ্দেশ দিছিল :

> “১১ৰ পৰা ১৪ নং প্ৰতিবাদীয়ে ১৩.৭.১৯৮৭ আৰু ১২.৭.১৯৮৮ তাৰিখে মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি বাদী-আপিলকাৰীয়ে জমা কৰা ধনৰাশি উলিয়াব পাৰিব। তেওঁলোকে জমা কৰা ধনৰ বাবে বেংকৰ নিশ্চয়তা আৰু সেই ধনৰ অতিৰিক্ত ১০% দিব লাগিব। বেংকৰ নিশ্চয়তা ৰাষ্ট্ৰীয়কৃত বেংকে প্ৰদান কৰিব লাগিব আৰু সন্তুষ্টি নিশ্চিত কৰিবলৈ কানপুৰ নগৰৰ দেৱানী ন্যায়াধীশে নিৰ্ধাৰণ কৰা প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব লাগিব। বাদী-আপিলকাৰীক শুনানিৰ সুযোগ দিয়াৰ পিছত বেংকৰ নিশ্চয়তা গ্ৰহণৰ সিদ্ধান্ত লোৱা হ’ব।”

এই আদালতে স্পষ্ট কৰা অনুসৰি এনেদৰে প্ৰত্যাহাৰ কৰাটো নিৰ্ভৰ কৰিব আপীলৰ ফলাফল আৰু বিচাৰাধীন গোচৰত দেৱানী আদালতে নিৰ্দেশ দিয়া যিকোনো সালসলনিৰ ওপৰত। যদিহে আপীলকাৰীয়ে দেৱানী আদালতৰ আদেশৰ সৈতে জড়িত আপীলত জয়ী হয়, তেন্তে সেই আপীলত গৃহীত হ’ব পৰা আদেশৰ অধীনত প্ৰত্যাহাৰ কৰা হ’ব।

সেই অনুসৰি আপীলসমূহ নিষ্পত্তি কৰা হয়। কোনো খৰচ পৰিশোধ কৰাৰ প্ৰয়োজন নাই।

জি. এন. আপীলসমূহ নিষ্পত্তি কৰা হৈছে।

*অনুবাদক- মায়াশ্ৰী মহন্ত, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।“